# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি লোকসেৱা ভৱনত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ এখন বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ অধীনত সামৰি লোৱা ৰাজ্যিক কৰ্মচাৰীৰ বাবে ইউনিফাইড পেঞ্চন আঁচনি প্ৰৱৰ্তনত অনুমোদন জনোৱা হয়। সেৱা কাল সম্পূৰ্ণ হোৱাৰ পাছত স্বেচ্ছাই অৱসৰ লোৱাৰ পাছত কৰ্মচাৰীসকলে পেঞ্চনৰ ধন লাভ কৰিব। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ১০ হাজাৰ ১৮৬ গৰাকী সামূহিক কেডাৰক অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনি অধীনত হিতাধিকাৰী হিচাপে অন্তৰ্ভুক্তিতো মন্ত্ৰীসভাই অনুমোদন জনায়। ৰাজ্যৰ গ্ৰামাঞ্চলত সকলো ধৰণৰ বতৰৰ উপযোগী যোগাযোগ নিশ্চিতকৰণৰ বাবে দীৰ্ঘস্থায়ী গ্ৰাম্য দলং কাৰ্যসূচীৰ বাবে মন্ত্ৰীসভাই ৪ হাজাৰ ৮১৬ কোটিতকৈও অধিক টকাৰ সংশোধিত প্ৰশাসনিক ব্যয়ত অনুমোদন জনায়। এই প্ৰকল্পৰ অধীনত ৩৫০ খন নতুন দলং নিৰ্মাণ, ১০৩ খন ঠেক পকী দলং বহল কৰা, ৬৯৪ খন বিভিন্ন কাৰণত সংকটপূৰ্ণ দলঙৰ মেৰামতি আদিৰ কাম সামৰি লোৱা হ'ব। এই বৈঠকতে ৪ হাজাৰ ২৮৭ কোটি টকা ব্যয়ৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নতুন চৌহদ নিৰ্মাণকে ধৰি আন্তঃগাঁথনি উন্নয়ন, বিশেষ চিকিৎসা উপলভ্যতা আৰু গুণগত মান বৃদ্ধিৰ বাবে **আস্থা** প্ৰকল্পত অনুমোদন জনোৱা হয়। তামিলনাডুৰ দুৰ্ঘটনাত নিহত ৯ জন ভুক্তভোগীৰ পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদানতো মন্ত্ৰীসভাই অনুমোদন জনায়।

ইপিনে বৰাক উপত্যকাৰ শিলচৰত ৫৬৪ কোটি ৫০ লাখ টকা ব্যয়ৰে এটা উৰণ সেতু নিৰ্মাণ প্ৰকল্পত মন্ত্ৰীসভাই অনুমোদন জনাইছে। প্ৰকল্পটোৰ অধীনত ট্ৰাংক ৰোডৰ পৰা কেপিটেল পইণ্ট হৈ ৰাঙিৰ খাৰীলৈকে এখন উৰণ সেতু নিৰ্মাণ কৰা হ'ব।

সমগ্ৰ শিক্ষা অভিযানৰ অধীনত পূৰ্বৰ ৫ বছৰৰ পৰিৱৰ্তে ৩ বছৰ সেৱা সম্পূৰ্ণ কৰা শিক্ষকসকলক চৰকাৰী শিক্ষক হিচাপে নিয়মীয়াকৰণতো মন্ত্ৰীসভাই অনুমোদন জনায়। চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত বিতৰণৰ বাবে চাইকেল ক্ৰয়ত অনুমোদন জনোৱা লগতে মন্ত্ৰীসভাই স্নাতক প্ৰথম বৰ্ষৰ পাঠ্যক্ৰমত নামভৰ্তি কৰা শিক্ষাৰ্থীৰ নামভৰ্তিৰ মাচুল পৰিশোধৰ বাবে **প্ৰজ্ঞান ভাৰতী আঁচনিৰ** অধীনত ১২৬ কোটি ৯৭ লাখ টকাৰ বিত্তীয় আৱণ্টন দিয়ে। আজিৰ বৈঠকত মাষ্টাৰ ৰোল, অস্থায়ী আৰু স্থিৰ দৰমহা লাভ কৰা এহেজাৰ ২৩১ গৰাকী কৰ্মচাৰীক ন্যূনতম দৰমহা প্ৰদানত অনুমোদন জনোৱা হয়।

ooooo

ধন আৰু ঐশ্বৰ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা আজি সমগ্ৰ ৰাজ্যতে অনুষ্ঠিত হৈছে। ভক্তসকলে ঘৰে ঘৰে নৈবদ্য, ধূপ-দীপ আগবঢ়াই নিজ নিজ গৃহলৈ ঐশ্বৰ্যবিভূতি আগমনৰ কামনা কৰিছে। কোনো কোনো ঠাইত ৰাজহুৱাভাৱেও লক্ষ্মী দেৱীৰ পূজাৰ আয়োজন কৰা হৈছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বাবে এইবাৰৰ ৰাজহুৱা লক্ষ্মী পূজাসমূহো কিছু স্তিমিত হোৱা পৰিলক্ষিত হৈছে।

ডিব্ৰুগড় মহানগৰৰ বজাৰৰ লগতে উপকণ্ঠ অঞ্চলৰ বজাৰসমূহত আজি পুৱাৰে পৰা লক্ষ্মী দেৱীৰ প্ৰতিমা, পূজা সামগ্ৰী ক্ৰয় কৰিবলৈ গ্ৰাহকৰ ভিৰ দেখা যায়। ঘৰে ঘৰে দেৱী লক্ষ্মীক আৰাধনাৰ লগতে সাৰ্বজনীন লক্ষ্মী মন্দিৰ আৰু বিভিন্ন দুৰ্গা পূজা মণ্ডপতো লক্ষ্মী দেৱীৰ পূজা-অৰ্চনা চলিছে।

০০০০০

আজি লক্ষ্মী পূৰ্ণিমাৰ দিনাই মাজুলীত ৰাস উৎসৱৰ আখৰা আৰম্ভ হৈছে। মাজুলীৰ কেইবাখনো সত্ৰ আৰু ৰংগমঞ্চত আজি আধ্যাত্মিক পৰম্পৰা ৰক্ষা কৰি নাম প্ৰসংগৰে আনুষ্ঠানিকভাৱে নাট মেলা হয়। ইয়াৰ লগে লগে মাজুলীৰ বিভিন্ন প্ৰান্ত খোল, তাল, বাঁহীৰ শব্দৰে মুখৰিত হৈ পৰিছে।

০০০০০

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ১৬১ সংখ্যক ওপজা দিন আজি শিৱসাগৰ নগৰৰ লক্ষ্মীনাথ বেজবৰুৱা উদ্যানত বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। উল্লেখযোগ্য যে, ১৮৬৪ চনৰ লক্ষ্মী পূৰ্ণিমাৰ দিনা ৰসৰাজ বেজৰুৱাৰ জন্ম হৈছিল আৰু সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই ২০২১ চনৰ পৰা লক্ষ্মী পূৰ্ণিমাৰ দিনটোত এই দিৱস উদযাপন কৰি আহিছে। এই উপলক্ষে আজি পুৱা সাহিত্যৰথী বেজবৰুৱাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰা হয়। সাহিত্যৰথী বেজবৰুৱাৰ পৰিনাতি বোৱাৰী  অৰুন্ধতী বেজবৰুৱাই মুকলি কৰা এই কাৰ্যসূচী শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰতীম শৰ্মাই সাহিত্যৰথী বেজবৰুৱাৰ জীৱন আৰু কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰে। এই অনুষ্ঠানতে জিলা ছাত্ৰ সন্থাই চলিত বছৰৰ বাবে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বঁটা আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামীক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। অনুষ্ঠানত নিবন্ধকাৰ এনামুদ্দিন আহমেদ আৰু শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক হিমাংশু নেওগো উপস্থিত আছিল।

০০০০০

সমাপ্ত